**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ ৫ টা সমষ্টিৰ লোকসভা নিৰ্বাচনৰ বাবে আজি পুৱাৰে পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অব্যাহত আছে। শেহতীয়া তথ্য অনুসৰি বিয়লি ৩ বজা পৰ্যন্ত ৬০ দশমিক ৭-০ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত ভোটদাতাসকলে উৎসাহ উদ্দীপনাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ৮৬ লাখ ৪৭ হাজাৰ ৮ শ উনসত্তৰ। ইয়াৰে ৪২ লাখ ৮২ হাজাৰ ৮ শ সাতাশি জন পুৰুষ হোৱাৰ বিপৰীতে ৪৩ লাখ ৬৪ হাজাৰ ৮ শ উনষাঠি গৰাকী মহিলা। তদুপৰি ১২৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। ৫ টা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা ৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪ গৰাকী মহিলা প্ৰাৰ্থী। ইয়াৰ ভিতৰত ৩ গৰাকীয়ে কাজিৰঙা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে আন এগৰাকীয়ে শোণিতপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰিছে।

বিয়লি চাৰে তিনি বজালৈ **শোণিতপুৰ** সমষ্টিত ৬০ দশমিক ২-৯ শতাংশ, **কাজিৰঙা** সমষ্টিত ৫৮ দশমিক ৩-৩ শতাংশ, **লখিমপুৰ** সমষ্টিৰ ৫৫ দশমিক ৭৫ শতাংশ, **যোৰহাট** সমষ্টিত ৬৫ শতাংশ, ভোটদান সম্পূৰ্ণ হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কামাখ্যা প্ৰসাদ তাছা, ৰণজিৎ দত্ত, লুৰিণজ্যোতি গগৈ, গৌৰৱ গগৈকে ধৰি কেইবাগৰাকীও আগশাৰী নেতাৰ আজি ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। শোণিতপুৰ সমষ্টিৰ পৰা ৮ গৰাকী, ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা ৩ গৰাকী, কাজিৰঙাৰ পৰা এঘাৰ গৰাকী, লখিমপুৰৰ ৯ গৰাকী, আৰু যোৰহাট সমষ্টিৰ ৪ গৰাকীকে ধৰি ৩৫ গৰাকী প্ৰাৰ্থীয়ে আজি প্ৰতিদ্বন্দ্বিতা কৰিছে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈ, ডিব্ৰুগড় সমষ্টিৰ সৰ্বানন্দ সোণোৱাল, গৌৰৱ গগৈ, লুৰিণজ্যোতি গগৈকে ধৰি কেইবাগৰাকীও আগশাৰীৰ নেতাই আজি পুৱাৰ ভাগত নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰত ভোটদান কৰে। এইবেলি ৰাজ্যত পূৰণি ভোটদাতাসকলৰ সমান্তৰালকৈ নতুন ভোটদাতাৰো ব্যাপক অংশগ্ৰহণ পৰিলক্ষিত হৈছে। পুৱাৰে পৰা ভোটকেন্দ্ৰসমূত শাৰী পাতি ভোটদাতাসকলে ভিৰ কৰা পৰিলক্ষিত হৈছে। জ্যেষ্ঠ নাগৰিকসকলেও বিপুল উৎসাহেৰে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহিছে। কেইবাগৰাকীও জ্যেষ্ঠ নাগৰিকে শাৰিৰীক অসুস্থতা স্বত্তেও নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহিছে। তদুপৰি বিশেষভাৱে সক্ষম নাগৰিকসকলকো ব্যাপক উৎসাহেৰে ভোটদান কৰা দেখিবলৈ পোৱা গৈছে। কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিৰ ১৩৬ নম্বৰ কলাখোৱা এল পি স্কুলৰ ভোটকেন্দ্ৰতো বিশেষভাৱে সক্ষম লোকে পৰিচালনা কৰিছে। ৯২৬ গৰাকী ভোটাৰ থকা এই বিশেষ কেন্দ্ৰটোত ভোটদাতাসকলে ব্যাপক হাৰত ভোটদান কৰা পৰিলক্ষিত হৈছে। আনহাতে, চৰাইদেউ নিৰ্বাচনী জিলাৰ অধীনৰ ৪ টা ভোটগ্ৰহণ কেন্দ্ৰ কেৱল মহিলাই পৰিচালনা কৰিছে। মহিলা বিষয়াসকলে পৰিচালনা কৰা ভোটগ্ৰহণ কেন্দ্ৰকেইটাত পুৱাৰে পৰা ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হয়। এই আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰকেইটাত গৰ্ভৱতী মহিলা, বয়োজ্যেষ্ঠ আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অতি স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত অৰ্ধসামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পন কৰা হৈছে। তদুপৰি ৫ হেজাৰ ৫শৰো অধিক

ভোটকেন্দ্ৰত ৰেৰকাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। সীমান্ত অঞ্চলৰ সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছিল কৰি দিয়া হৈছে।

০০০০০০০০

ৰাজ্যখনত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত নিৰ্বাচনৰ বাবে ব্যাপক ৰূপত প্ৰচাৰ অব্যাহত আছে। আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত এখন জনসভাত বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়। একেদিনাই মুখ্যমন্ত্ৰীগৰাকীয়ে ওদালগুৰি জিলাৰ টংলা আৰু নগাওঁৰ ভোটাইগাওঁত নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে নগাওঁৰ ভোটাইগাওঁত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। নগাওঁ চহৰৰ সমীপৱৰ্তী ভোটাইগাওঁৰ খেলপথাৰত আয়োজিত এখন জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি প্ৰাৰ্থীগৰাকীক ভোট দিবলৈ যোৰহাটৰ পৰা আহ্বান জনায়। বড়ো, কাৰ্বি, আদিৱাসী, ডিমাচা আৰু আলফাৰ লগত শান্তি চুক্তি কৰাৰ পাছত অসমলৈ শান্তি ঘূৰি আহিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অসমত কেৱল উন্নয়ন আৰু বিকাশৰ বাতাবৰণ গঢ়ি উঠা বুলি উল্লেখ কৰি ড° শৰ্মাই বিজেপি চৰকাৰৰ বিভিন্ন সফলতাৰ বিষয়ে উনুকিয়ায়।

দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ মিত্ৰজোটৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈও মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলায়। ওদালগুৰি জিলাৰ টংলা বিধানসভা সমষ্টিৰ কলাইগাওঁ মহাবিদ্যালয় খেলপথাৰত আজি অনুষ্ঠানত বিজেপিৰ বিজয় সংকল্প সমাবেশত মুখ্যমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে। বিজেপি শাসনলৈ অহাৰ পূৰ্বে ৰাজ্যত উগ্ৰপন্থী সমস্যাকে ধৰি বিভিন্ন সমস্যাই প্ৰতিকুল পৰিস্থিতিৰ সৃষ্টি কৰিছে যদিও বিজেপি শাসনলৈ অহাৰ পাছত শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে বুলি ড° শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত লোকনিৰ্ণয় ২০২৪ শীৰ্ষক অনুষ্ঠানত লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকিব সাংবাদিক গৌতম শৰ্মা আৰু জিতেন্দ্ৰ কুমাৰ চৌধুৰী। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০০

**সমাপ্ত**